# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 23-07-2025
**Time :** 17-15 Hrs

***Assamese EVENING Bulletin***
**::::::::::::::::::::::::::::::**

**ভাৰতৰ উন্নয়ন , শৈক্ষিক প্ৰসাৰ , আৰু সাংস্কৃতিক সংৰক্ষণৰ ক্ষেত্ৰত সম্প্ৰচাৰৰ গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে প্ৰচাৰ কৰাৰ উদ্দেশ্যে আজি সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় সম্প্ৰচাৰ দিৱস পালন কৰা হৈছে । ১৯২৭ চনৰ আজিৰ দিনটোতে ইণ্ডিয়ান ব্ৰডকাষ্টিং কোম্পানীৰ বম্বে ষ্টেচনৰ পৰা দেশত প্ৰথমবাৰৰ বাবে অনাতাঁৰ সম্প্ৰচাৰ আৰম্ভ হাছিল। ১৯৩৬ চনৰ ৮ জুনত ইণ্ডিয়ান ব্ৰডকাষ্টিং চাৰ্ভিচেজক অল ইণ্ডিয়া ৰেডিঅ ' নামেৰে নামকৰণ কৰা হৈছিল আৰু পিছলৈ ইয়াৰ নাম আকাশবাণী কৰা হৈছিল । আকাশবাণীয়ে বছৰ বছৰ ধৰি স্বকীয় ধাৰাৰে শ্ৰোতাৰ মাজত সুকীয়া পৰিচয় গঢ়ি তুলিছে।**

০০০০

অসম আৰু মেঘালয়ত পাঁচদিনীয়া ভ্ৰমণসূচীৰে আকাশবাণীৰ সঞ্চালকপ্ৰধান ড° পালিৱাল গৌড়ে শ্বিলঙত আকাশবাণীৰ ৯০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজিত এটা সংগীতানুষ্ঠানত অংশগ্ৰহণ কৰে।

কাইলৈ তেওঁ শ্বিলঙত মেঘালয়ৰ আকাশবাণী কেন্দ্ৰসমূহত কাম-কাজৰ পৰ্যালোচনা কৰিব। ২৫ জুলাইৰ বিয়লি ড° পালিৱাল গৌড় গুৱাহাটীলৈ আহিব আৰু ২৬ জুলাইত তেওঁ গুৱাহাটীত অসমৰ আকাশবাণী কেন্দ্ৰসমূহৰ কাম-কাজৰ পৰ্যালোচনা কৰিব। ২৭ জুলাইত তেওঁ নতুন দিল্লীলৈ উভতি যাব।

০০০০

ৰাজহুৱা বিতৰণ ব্যৱস্থা আৰু মধ্যাহ্ন ভোজন আঁচনিৰ অধীনত যোগান ধৰা পুষ্টিবৰ্ধক চাউল সম্পৰ্কত সংবাদ মাধ্যমক অধিক সচেতন কৰাৰ উদ্দেশ্যে আজি গুৱাহাটীত এখন কৰ্মশালা অনুষ্ঠিত হয়। ৰাষ্ট্ৰসংঘৰ খাদ্য আঁচনি, অসম চৰকাৰৰ খাদ্য আৰু অসামৰিক যোগান বিভাগ আৰু ব্ৰহ্মপুত্ৰ সামাজিক গৱেষণা সংস্থাৰ উদ্যোগত আয়োজিত এই কৰ্মশালাত সমল ব্যক্তিসকলে ফৰ্টিফাইড অৰ্থাৎ পুষ্টিবৰ্ধক চাউলক প্লাষ্টিক চাউল বুলি চলা অপপ্ৰচাৰকে ধৰি বিভিন্ন বিষয় সন্দৰ্ভত সংবাদ মাধ্যমৰ প্ৰতিনিধিসকলক অৱগত কৰায়। কৰ্মশালাত ৰাষ্ট্ৰসংঘৰ খাদ্য কাৰ্যসূচীৰ জ্যেষ্ঠ কাৰ্যসূচী বিষয়া গীতাশ্ৰী ফুকন, অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ বিদ্যাগুৰু ড° মানস প্ৰতীম শৰ্মা, ৰাষ্ট্ৰসংঘৰ নতুন দিল্লীস্থিত পৰিপুষ্টি আৰু বিদ্যালয় আহাৰ যোগান আঁচনিৰ মুৰব্বী ড° চাৰিকা ইউনুছ আৰু খাদ্য আৰু যোগান বিভাগৰ পৰিদৰ্শক মিলি দাসে অংশগ্ৰহণ কৰে। উত্তৰ-পূৰ পাৰ্বত্য বিশ্ববিদ্যালয়ৰ ইংৰাজী আৰু বিদেশী ভাষা বিভাগৰ অধ্যাপক ড° অলংকাৰ কৌশিকে আঁত ধৰা এই কৰ্মশালাত

গুৱাহাটীৰ বিভিন্ন সংবাদমাধ্যমৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। আজিৰ কৰ্মশালাৰ উদ্দেশ্য সম্পৰ্কত ব্ৰহ্মপুত্ৰ সামাজিক গৱেষণা সংস্থাৰ জ্যেষ্ঠ সদস্য ভাস্কৰজ্যোতি ভূঞাই ব্যাখ্যা আগবঢ়ায়।

০০০০

বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ ড০ বসন্ত কুমাৰ ভট্টাচাৰ্যৰ শেষকৃত্য আজি ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰা হ'ব। শেষকৃত্যৰ পূৰ্বে সাহিত্যিকগৰাকীক নলবাৰীৰ ছহিদ বাকৰিত ৰাজহুৱাভাৱে শ্ৰদ্ধাঞ্জলি জনোৱা হৈছে। উল্লেখযোগ্য যে অসম সাহিত্য সভাই সাহিত্যাচাৰ্য সন্মানেৰে সন্মানিত কৰা সাহিত্যিকগৰাকীৰ আজি ৮৩ বছৰ বয়সত দেহাৱসান ঘটে। যোৱা দুবছৰ ধৰি শাৰীৰিকভাৱে অসুস্থ হৈ থকাৰ অন্তত নলবাৰীৰ নিজা বাসগৃহত তেওঁৰ মৃত্যু হয়। নলবাৰী জিলা সাহিত্য সভাই নলবাৰী ৰত্ন সন্মান আগবঢ়োৱা ড০ ভট্টাচাৰ্যৰ মৃত্যুত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, মন্ত্ৰী জয়ন্ত মল্লবৰুৱা, মন্ত্ৰী অতুল বৰাৰ লগতে বহু দল-সংগঠন আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰে।

০০০০

ৰাজ্যৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত তথা সচিব কবিতা পদ্মনাভনে আজি কাছাৰ জিলাৰ শিলচৰত উপস্থিত হৈ নগৰখনৰ আন্তঃগাঁথনি, খোৱাপানীৰ ব্যৱস্থা আৰু স্বচ্ছতা সন্দৰ্ভত পৰ্যালোচনা কৰে। শিলচৰ নগৰৰ বিভিন্ন গুৰুত্বপূৰ্ণ স্থান পৰিদৰ্শন কৰাৰ পাছত সচিবগৰাকীয়ে পৰিষ্কাৰ-পৰিচ্ছন্নতা, আৱৰ্জনা ব্যৱস্থাপনা আৰু জনসেৱা প্ৰদানৰ ক্ষেত্ৰত থকা সীমাৱদ্ধতাসমূহ চিনাক্ত কৰি শীঘ্ৰেই সমাধান নিৰ্দেশ দিয়ে সচিবগৰাকীয়ে শিলচৰ পৌৰ নিগমৰ অধীনৰ ব্যস্ত বজাৰ এলেকা, ৰাজপথ, ডাম্পিং গ্ৰাউণ্ড আৰু নগৰৰ সীমান্ত অঞ্চলৰ পৰিদৰ্শন কৰে। লগতে তেওঁ লংগাইখাল, সোণাই ৰোডৰ বানপীড়িত অঞ্চলো পৰিদৰ্শন কৰে। এই ভ্ৰমনৰ অন্তত তেওঁ আৱৰ্জনা নিষ্কাষণ আৰু নাগৰিক সেৱাৰ উন্নতিৰ বিষয়সমূহৰ সন্দৰ্ভত অনুষ্ঠিত এখন বৈঠকত অংশগ্ৰহণ কৰে।

০০০০

বৰপেটা জিলা আয়ুক্ত ৰোহন কুমাৰ ঝাই আজি জিলাখনৰ কেইবাখনো সুলভ মূল্যৰ দোকানত উপস্থিত হৈ নথি-পত্ৰ পৰীক্ষা কৰে। জিলা আয়ুক্তগৰাকীয়ে এজেণ্ট আৰু গ্ৰাহকৰ লগতো মত বিনিময় কৰে। জিলাখনৰ সুলভ মূল্যৰ দোকানৰ একাংশ এজেণ্টে বিভিন্ন ধৰণে অনিয়ম সংঘটিত কৰাৰ অভিযোগ উঠাৰ পাছতে জিলা আয়ুক্তগৰাকীয়ে আজি নিজেই দোকানসমূহলৈ গৈ সকলো দিশ পৰ্যবেক্ষণ কৰে। জিলা আয়ুক্তগৰাকীয়ে এজেণ্টসকলক নিয়ম উলংঘা নকৰিবলৈ সতৰ্ক কৰি দিয়ে।

০০০০

আৰ জি বৰুৱা সোঁৱৰণী ১৬ বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতা মধ্য অসম মণ্ডলৰ গ্ৰুপ-এৰ খেলত মৰিগাঁও জিলা ক্ৰীড়া সন্থা জয়ী হৈছে। মৰিগাঁৱৰ ক্ষিৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত খেলখনৰ আজি দ্বিতীয় দিনা মৰিগাঁৱে তিতাবৰ ক্ৰিকেট সন্থাক এক ইনিংছ আৰু ৩৪ ৰানত পৰাস্ত কৰি বোনাছসহ সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে। প্ৰতিযোগিতাৰ কাইলৈৰ পৰা হ'বলগীয়া খেলত নগাঁও জিলাই কাৰ্বি আংলঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০

**ঃঃ সমাপ্ত ঃঃ**